# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-NOV-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১। ডঃ ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈ বিশেষ অনুষ্ঠানৰ আয়োজন।

২। উত্তৰ-পূবৰ ৰাজ্যকেইখনৰ এখন সুসংগঠিত ৰাজনৈতিক মঞ্চ গঠনৰ পৰিকল্পনাৰে দিল্লীত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাগৰাকীও ৰাজনৈতিক নেতাৰ আলোচনা।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠিত ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ এজনীয়া ন্যায়িক আয়োগৰ দুগৰাকী ব্যক্তিৰ লিখিত তথ্য গ্ৰহণ।

৪। ৰাজ্যিক মৰ্যাদাৰে নৱগ্ৰহ শ্মশানত প্ৰসিদ্ধ বাঁহীবাদক দীপক শৰ্মাৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন। **আৰু**

৫। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰ পৰা ৰাস মহোৎসৱ।

০০০০০

ডঃ ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলা প্ৰশাসনে কাইলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। জালুকবাৰীৰ ডঃ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত পুৱা ৯ বজাৰ পৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভূপেন্দ্ৰ সংগীত, নৃত্যানুষ্ঠানৰ আয়োজন কৰা হ'ব। লতাশিল খেল পথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠৰ সাংস্কৃতিক অৱদান সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব। কামৰূপ মহানগৰ জিলাৰ কাৰ্যসূচীত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

**কামৰূপ** জিলাৰ জিলা সংহত কাৰ্যালয়ৰ সন্মুখত কাইলৈ বৰেণ্য শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিত মাল্যৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰা হ'ব। চাংসাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ডঃ ভূপেন হাজৰিকাৰ মৃত্যু তিথি কেন্দ্ৰীয়ভাৱে পালন কৰা হ'ব। একেদৰে কামৰূপ জিলাৰ অধীনৰ ৰঙিয়া সম-জিলা আৰু পলাশবাৰী সম-জিলাতো শিল্পীগৰাকীক স্মৰণৰ বাবে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলাখনৰ কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

ৰাজ্যৰ আন আন ঠাইতো কাইলৈ ডঃ ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সুধাকণ্ঠৰ মৃত্যু দিন উপলক্ষে **হোজাই**ৰ শংকৰদেৱ নগৰৰ কছাৰী ময়দানত ৫ হাজাৰতকৈ অধিক শিল্পীয়ে একেলগে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰিব। আন ঠাইৰ লগতে **ধুবুৰী**তো জিলা প্ৰশাসনৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হ'ব।

**তিনিচুকীয়া** জিলাত বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজে ভূপেন্দ্ৰ সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। **কাৰ্বি আংলং** জিলাৰ ডিফু কাছা ষ্টেডিয়ামতো সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ৫ হাজাৰ শিল্পীয়ে মানৱশৃংখল কাৰ্যসূচী অনুষ্ঠিত কৰিব। সুধাকণ্ঠৰ অমৰসৃষ্টি **মানুহে মানুহৰ বাবে** গীতটিৰ পৰিৱেশনেৰে হাওৰাঘাট আৰু বোকাজান

মহকুমাৰ পৰা শিল্পী, জ্যেষ্ঠ নাগৰিক, ছাত্ৰ-ছাত্ৰী আৰু সাংস্কৃতিক সমাজৰ প্ৰতিনিধিৰ উপস্থিতিত এই মানৱশৃংখল গঢ়ি তোলা হ'ব।

সুধাকণ্ঠৰ মৃত্যুৰ দিন উপলক্ষে **চৰাইদেউ** জিলা প্ৰশাসনে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। জিলাখনৰ ৩ হাজাৰ শিল্পীয়ে কাইলৈ সুধাকণ্ঠৰ কেইবাটাও গীত পৰিৱেশন কৰিব। মন্ত্ৰী যোগেন মহনে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ ল'ব।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ নিৰ্দেশমৰ্মে **যোৰহাট** জিলা প্ৰশাসনেও বিশ্ববৰেণ্য শিল্পীগৰাকীৰ মৃত্যুবাৰ্ষিকী পালন কৰিব। এই অনুষ্ঠানৰ অংশ স্বৰূপে যোৰহাট ষ্টেডিয়ামৰ লগতে তিতাবৰ, টীয়ক আৰু মৰিয়নী সমজিলাত পৃথকে পৃথকে কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। জিলা পৰ্যায়ৰ কাৰ্যসূচীত মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশ ল'ব।

ooooo

উত্তৰ-পূৰৰ ৰাজ্যকেইখনৰ এখন সংগঠিত ৰাজনৈতিক মঞ্চ গঠনৰ পৰিকল্পনাৰে আজি দিল্লীৰ কনষ্টিটিউছন ক্লাৱত উত্তৰ পূৰ্বাঞ্চলৰ কেইবাগৰাকীও ৰাজনৈতিক নেতাই এখন সংবাদ মেল সম্বোধন কৰে। এই সংবাদমেলত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই উত্তৰ পূৰ্বাঞ্চলৰ শক্তিশালী ভৱিষ্যতৰ বাবে একগোট হৈ আগবঢ়াৰ কথা বিবেচনা কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ লগতে আঞ্চলিক, ৰাজনৈতিক একতা শক্তিশালী কৰাৰ প্ৰয়াস কৰা হৈছে বুলিও জানিবলৈ দিয়ে। এই সংবাদমেলত ত্ৰিপুৰাৰ টিপৰা মোথাৰ অধ্যক্ষ প্ৰদ্যুত বিক্ৰম মানিক্য দেৱবাৰ্মাই উত্তৰ পূৰ্বাঞ্চলৰ সকলো ৰাজনৈতিক শক্তি একগোট হৈ সমস্যাবোৰ উপস্থাপন কৰিলে ই ফলপ্ৰসূ হ'ব বুলি মত প্ৰকাশ কৰে আৰু আজিৰ এই বৈঠক এই ক্ষেত্ৰত এটা আৰম্ভণি হৈছে বুলি তেওঁ মন্তব্য কৰে। উত্তৰ পূৰ্বাঞ্চলৰ সমস্যাসমূহ নতুন দিল্লীত ফলপ্ৰসূভাৱে উত্থাপন কৰাৰ বাবে সুনিয়োজিত কাৰ্যসূচীৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। আজিৰ এই আলোচনা নাগালেণ্ডৰ প্ৰাক্তন মন্ত্ৰী এম কিকন, অসমৰ ডিমা হাচাও জিলাৰ পিপলছ পাৰ্টী অৱ আচামৰ নেতা ডেনিয়েল লাংথাছাকে ধৰি কেইবাগৰাকীও আঞ্চলিক ভাৱধাৰাৰ নেতাই অংশগ্ৰহণ কৰে।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠিত ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ এজনীয়া ন্যায়িক আয়োগে আজি দ্বিতীয় দিনা দুগৰাকী ব্যক্তিৰ লিখিত তথ্য গ্ৰহণ কৰে। গুৱাহাটীৰ চানমাৰিৰ খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ চৌহদত এই আয়োগৰ সাক্ষ্য গ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। প্ৰাক্তন কংগ্ৰেছ নেতা দুলু আহমেদ আৰু ব্যৱসায়ী তথা চলচ্চিত্ৰ প্ৰযোজক লুইত কুমাৰ বৰ্মনে আজি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত লিখিত তথ্য শপতনামা ৰূপত আয়োগক প্ৰদান কৰে। উল্লেখযোগ্য যে প্ৰাক্তন কংগ্ৰেছ নেতা দুলু আহমেদে শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ছিংগাপুৰলৈ গৈ এজাহাৰ দাখিল কৰিছিল। আয়োগত তথ্য প্ৰদানৰ পাছত সাংবাদিকৰ আগত আহমেদে এইদৰে কয়ঃ

**বাইট**

উল্লেখযোগ্য যে এই আয়োগে অহা ২১ নৱেম্বৰলৈ দিনৰ চাৰে ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ এই সাক্ষ্য গ্ৰহণ কৰিব। অৱশ্যে কালি প্ৰথমদিনা আয়োগৰ সন্মুখত কোনো লোকে সাক্ষ্য প্ৰদান নকৰিলে। আয়োগে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ চাৰিটা মূল বিষয়ৰ তদন্ত কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৮ ডিচেম্বৰতে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ অভিযোগনামা দাখিল কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

ইপিনে, জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ ন্যায়ৰ দাবীত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু ২৫টা জনগোষ্ঠীয় সংগঠনৰ উদ্যোগত আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰৰ পৰা বেলতলা উচ্চ মাধ্যমিক বিদ্যালয়লৈ পদযাত্ৰা উলিওৱা হয়। এই কাৰ্যসূচীত সদৌ মৰাণ ছাত্ৰ সন্থা, মটক যুৱ ছাত্ৰ সন্মিলন, আই এম ছাত্ৰ সন্থা, ৰাভা ছাত্ৰ সন্থা, চাহ জনজাতি ছাত্ৰ সন্থাকে ধৰি জনগোষ্ঠীয় সংগঠনসমূহৰ প্ৰতিনিধিয়ে অংশ লয়।

শিৱসাগৰত আজি আয়োজিত এখন সংবাদমেলত বিধায়ক অখিল গগৈয়ে জুবিন গাৰ্গৰ মৃত্যুক লৈ চৰকাৰ আৰু তদন্তকাৰী সংস্থাসমূহৰ ভূমিকাত অসন্তুষ্টি প্ৰকাশ কৰে।

ooooo

চেন্নাইৰ এখন চিকিৎসালয়ত কালি দেহাৱসান ঘটা বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ অন্তেষ্টিক্ৰিয়া আজি গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। শেষকৃত্যৰ সময়ত অসম চৰকাৰৰ হৈ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্ত আৰু ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাসে প্ৰয়াত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে শিল্পীগৰাকীৰ নশ্বৰদেহ আজি পুৱা বিমানেৰে অসমলৈ অনাৰ পাছত বৰঝাৰ বিমানবন্দৰত বাঁহী বাদকৰ দলে শিল্পীগৰাকীক বাঁহীৰ সুৰেৰে শ্ৰদ্ধাঞ্জলি জনায়। ইয়াৰ পাছতে তেওঁৰ নশ্বৰ দেহ গুৱাহাটীৰ অম্বিকাগিৰি নগৰৰ বাসগৃহলৈ লৈ যোৱা হয়। বাসগৃহত আত্মীয়-স্বজনে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জনোৱাৰ পাছত অম্বিকাগিৰি নগৰৰ সেউজ সংঘৰ বাকৰিত শিল্পীগৰাকীক ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

উল্লেখযোগ্য যে অসমৰ সংগীত জগতলৈ অনবদ্য অৱদান আগবঢ়োৱা বাঁহীবাদকগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে তেওঁক চেন্নাইলৈ নিয়া হৈছিল। শেহতীয়াকৈ শিল্পীগৰাকীৰ স্বাস্থ্যৰ অৱস্থা অধিক জটিল হৈ পৰাৰ পাছত কালি পুৱা শিল্পীগৰাকীৰ মৃত্যু হয়।

নলবাৰী জিলাৰ পানীগাঁৱত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে কলকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা ইনষ্ট্ৰুমেণ্টেল মিউজিক বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি গৱেষণাৰ কাম আৰম্ভ কৰে। কিন্তু গৱেষণাৰ কাম তেওঁ আধাতে এৰি পৰৱৰ্তী সময়ত প্ৰখ্যাত বাঁহীবাদক হৰিপ্ৰসাদ চৌৰাচিয়াৰ তত্বাৱধানত সংগীতৰ শিক্ষা গ্ৰহণ কৰে। সেই সময়তে তেওঁ কেইবাখনো হিন্দী চলচ্চিত্ৰ সংগীতত বাঁহী বজাইছিল। পৰৱৰ্তী সময়ত দীপক শৰ্মাই জুবিন গাৰ্গৰ বহু জনপ্ৰিয় গানত বাঁহীৰ সুৰ দিছিল। কেৱল এয়াই নহয় মুম্বাইত থকাৰ সময়তে তেওঁ দক্ষিণ আফ্ৰিকালৈ বাঁহী বাদনৰ বাবে আমন্ত্ৰিত হৈছিল। ইয়াৰ পিছত তেওঁ ছুইজাৰলেণ্ড, জাৰ্মানী, পোলেণ্ড, ফ্ৰান্স আদিকে ধৰি ৪২ খন দেশত অনুষ্ঠান পৰিৱেশন কৰিছিল।

আকাশবাণীৰ বি-হাইগ্ৰেড লাভ কৰা শিল্পীগৰাকী আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত সংগীত পৰিচালকো আছিল। তেওঁ কেইবাখনো অসমীয়া চিনেমাৰ সংগীত পৰিচালনাও কৰিছিল। শিল্পীগৰাকীৰ বিয়োগত সাংস্কৃতিক সমাজৰ বহুজনে গভীৰ শোক প্ৰকাশ কৰিছে। বিশিষ্ট সংগীত শিল্পী তৰালী শৰ্মাই এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে।

**বাইট**

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱ আজি আৰম্ভ হৈছে। মাজুলী, লখিমপুৰ, ধেমাজি আৰু নামনি অসমৰ হাউলী, পলাশবাৰী, টিহু, নলবাৰী, পাঠশালা, পাটাছাৰকুছি, তামুলপুৰ, নগাঁও, মৰিগাঁৱকে ধৰি বিভিন্ন ঠাইত ৰাস উৎসৱৰ আয়োজন কৰা হৈছে।

সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ **মাজুলীত** আজিৰে পৰা ৰাস মহোৎসৱ আৰম্ভ হৈছে। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাত আজি, কাইলৈ আৰু পৰহিলৈ কমলাকান্ত আতা ক্ষেত্ৰত ৰাস অনুষ্ঠিত হ'ব। এই ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত 'মাজুলীৰ ৰাস লীলা, পৰম্পৰা, নান্দনিকতা আৰু প্ৰত্যাহ্বান' শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আউনীআটী, চামগুৰি, বেঙেনাআটীকে ধৰি প্ৰায়বোৰ সত্ৰতে শ্ৰীকৃষ্ণৰ ৰাসলীলা উদযাপন কৰা হ'ব। ৰাসৰ পৰিপ্ৰেক্ষিতত ৬ নৱেম্বৰত মাজুলীত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। মাজুলীত ৰাস মহোৎসৱৰ আয়োজন আৰু যাতায়াতৰ ব্যৱস্থা সন্দৰ্ভত আমাৰ বিশেষ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত মাজুলীৰ সংবাদদাতাই বিকাশ শইকীয়াই এইদৰে কয়-

**ভইচ (বিকাশ শইকীয়া)**

**চৰাইদেউ** জিলাৰ মোহনগাঁও ৰজাপুখুৰী বৰনামঘৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ ৰাস লীলা মহোৎসৱ অনুষ্ঠিত হ'ব। মহোৎসৱৰ প্ৰথম দিনা ভাওনা আৰু ৬ আৰু ৭ নৱেম্বৰত মহাৰাস প্ৰদৰ্শন হ'ব।

**গোৱালপাৰা** জিলাৰ বিভিন্ন ঠাইত আজিৰ পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। দুধনৈত ১৫ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই আজি দ্বাৰ মুকলি কৰি ৰাস মহোৎসৱৰ শুভাৰম্ভ কৰে।

**পাঠশালা**তো আজিৰে পৰা ১৫ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱস্থলীত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধা নিবেদন কৰা হয়। ৰাস মহোৎসৱ উপলক্ষে আধ্যাত্মিক অনুষ্ঠানৰ লগতে সাংস্কৃতিক অনুষ্ঠান, বাণিজ্য মেলা আৰু বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

**ধুবুৰী** জিলাৰ বিলাসীপাৰাতো আজিৰে ১৬ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱস্থলীত মৃণ্ময় মূৰ্তিৰে শ্ৰীকৃষ্ণৰ বিভিন্ন লীলা জীৱন্ত ৰূপত দাঙি ধৰা হৈছে।

**নলবাৰী**ৰ শ্ৰীশ্ৰীহৰি মন্দিৰত কাইলৈৰ পৰা ১৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। ৰাস মহোৎসৱৰ দ্বিতীয় দিনা অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। **দৰং** জিলাৰ দীঘিৰপাৰত ১১ দিনীয়াকৈ ৰাসৰ আয়োজন কৰা হৈছে।

**বাক্সা** জিলাৰ পূব খাগ্ৰাবাৰীৰ ৯২ সংখ্যক ৰাস মহোৎসৱ কাইলৈৰ পৰা সাদিনীয়াকৈ অনুষ্ঠিত হ'ব। ৰাস মহোৎসৱৰ সৈতে সংগতি ৰাখি কাইলৈ উলিয়াবলগীয়া সাংস্কৃতিক শোভাযাত্ৰা মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই উদ্বোধন কৰিব। বিগত বছৰৰ দৰে এইবাৰো খাগ্ৰাবাৰীৰ ৰাস উদযাপন সমিতিয়ে জীৱন্ত ৰাসলীলাৰ গোপী নাচ প্ৰদৰ্শন, শিশু কৃষ্ণ প্ৰতিযোগিতা, ৰাধা-কৃষ্ণৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। জিলাখনৰ গোলাগাঁও, দীঘলডঙা, বৰমা, থমনা, কেশৰ নগৰতো ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

**হাউলী** ৰাস মহোৎসৱত এইবাৰ সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতি বিশেষ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হ'ব। ইয়াৰ লগতে ৰাস মহোৎসৱৰ সৈতে সংগতি ৰাখি প্ৰদান কৰা হাউলী বঁটা বিশিষ্ট সাহিত্যিক তথা অভিযন্তা বন্দিতা ফুকনলৈ আগবঢ়োৱা হ'ব।

ooooo

অসম বিধানসভাৰ শীতকালীন অধিৱেশন অহা ২৫ নৱেম্বৰৰ পৰা দিছপুৰত আৰম্ভ হ'ব। অহা ২৯ নৱেম্বৰলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ৫টা কৰ্মদিন থাকিব। অধিৱেশনৰ আৰম্ভণিৰ দিনা বিগত অধিৱেশনৰ পৰৱৰ্তী কালত দেহাৱসান ঘটা প্ৰাক্তন সদস্য আৰু ৰাজ্য তথা দেশৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰা হ'ব। সেইদিনাই অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শীতকালীন অধিৱেশনৰ বাবে কাৰ্যসূচী উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰিব। ২৮ নৱেম্বৰৰ দিনটো ব্যক্তিগত সদস্যৰ কাৰ্যক্ৰমণিকাৰ বাবে ৰখা হৈছে। অধিৱেশনৰ কেউটাদিনতে প্ৰশ্নোত্তৰ কাল থাকিব। আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে অসম মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি ১৯৮৩ চনত নেলীত সংঘটিত গণহত্যাৰ তদন্ত কৰা ত্ৰিভূৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন এইবাৰৰ অধিৱেশনত দাখিল কৰা হ'ব। তদুপৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰসংগ, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আৰু সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ পাকিস্তান সংযোগ বিষয়ক প্ৰসংগই এইবাৰৰ অধিৱেশনত বিশেষ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অধিৱেশনৰ দিনকেইটাত নিশা ৯ বাজি ১৫ মিনিটৰ পৰা **বিধানসভাত আজিৰ দিনটো** প্ৰচাৰ কৰিব।

ooooo

সমান কামৰ সম দৰমহাৰ লগতে কেইবাটাও দাবীৰে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰীৰ দলে কালিৰে পৰা ৰাজ্যজুৰি ৰূপায়ণ কৰা কৰ্মবিৰতি আৰু অৱস্থান ধৰ্মঘট কাৰ্যসূচী আজিও অব্যাহত থাকে। শিৱসাগৰ জিলাত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কৰ্মচাৰী সন্থা, সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যান সন্থা আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কৰ্মচাৰীসকলে কাৰ্যসূচীত আজিও অংশ লয়। সম দৰমহা আৰু নিয়মীয়া কৰ্মচাৰীৰ দৰে গ্ৰেছুইটিৰ দাবীৰে ৩ দিনীয়াকৈ এই কাৰ্যসূচী পাপন কৰা হৈছে। ধেমাজী জিলাতো ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰীসকলে আজি দ্বিতীয় দিনাও এই কাৰ্যসূচী ৰূপায়ণ কৰে। ধেমাজী আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদৰত এই কৰ্মচাৰীসকলক আজি শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে সাক্ষাৎ কৰি তেওঁলোকৰ দাবী সম্বলিত স্মাৰকপত্ৰ গ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে কৰ্মচাৰীসকলৰ সমস্যাসমূহ ৰাজ্য চৰকাৰে শীঘ্ৰে সমাধান কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। কামৰূপ জিলাত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰীসকলৰ কৰ্মবিৰতিৰ ফলত সমষ্টিভিত্তিত অনুষ্ঠিত হ'বলগীয়া দুখন বৃহৎ স্বাস্থ্য মেলা স্থগিত ঘোষণা কৰা হয়। এই প্ৰতিবাদী কাৰ্যসূচী বন্ধ হোৱাৰ পাছতহে স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব বুলি আজি এখন সংবাদমেলত জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অজিত দাসে প্ৰকাশ কৰে। উল্লেখযোগ্য যে কামৰূপ জিলাত এহেজাৰ ২৫৫ গৰাকী ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰীয়ে এই কৰ্মবিৰতি পালন কৰিছে। গোৱালপাৰা জিলাতো কালিৰে পৰা এই প্ৰতিবাদী কাৰ্যসূচী ৰপায়ণ কৰা হৈছে। গোৱালপাৰা চহৰৰ ছহিদ নিধনুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয় প্ৰাঙ্গনত এই কাৰ্যসূচী চলি আছে। ইয়াৰ ফলত চিকিৎসালয়খনত স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হৈছে।

০০০০০

সমাপ্ত